**অষ্ট্ৰিয়া গণৰাজ্যৰ ফেডাৰেল চেঞ্চেলৰৰ আগন্তুক ভাৰত ভ্ৰমণ (এপ্ৰিল 14-17, 2026)**

এপ্ৰিল 09, 2026

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীৰ আমন্ত্ৰণমৰ্মে অষ্ট্ৰিয়াৰ ফেডাৰেল চেঞ্চেলৰ মহামহিম ড০ খ্ৰীষ্টিয়ান ষ্টকাৰে 2026 চনৰ 14–17 এপ্ৰিললৈ ভাৰতত এক চৰকাৰী ভ্ৰমণসূচী ৰূপায়ণ কৰিব। তেওঁৰ সৈতে অষ্ট্ৰিয়াৰ অৰ্থনীতি, শক্তি আৰু পৰ্যটন বিভাগৰ ফেডাৰেল মন্ত্ৰী ড০ ৱলফগং হাটমানছডৰ্ফাৰৰ লগতে জ্যেষ্ঠ বিষয়া আৰু ব্যৱসায়িক নেতাসকলৰ এটা উচ্চস্তৰীয় প্ৰতিনিধি দল আহিব। চেঞ্চেলৰ ষ্টকাৰৰ এয়া প্ৰথম ভাৰত ভ্ৰমণ হ'ব। এয়া তেওঁৰ এছিয়ালৈ প্ৰথম চৰকাৰী ভ্ৰমণো হ'ব।

2. ভ্ৰমণকালত প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু ফেডাৰেল চেঞ্চেলৰ খ্ৰীষ্টিয়ান ষ্টকাৰে বিভিন্ন ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰাৰ সন্দৰ্ভত আলোচনাত মিলিত হ'ব। তেওঁলোকে লগতে বহুপাক্ষিক মঞ্চত সহযোগিতাকে ধৰি পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু গোলকীয় বিষয়সমূহৰ ওপৰতো মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰীয়ে ভ্ৰমণকাৰী বিশিষ্ট অতিথিজনৰ সন্মানত এক মধ্যাহ্ন ভোজনৰ আয়োজন কৰিব।

3. ফেডাৰেল চেঞ্চেলৰ মহামহিম ড০ খ্ৰীষ্টিয়ান ষ্টকাৰে মাননীয় ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে চেঞ্চেলৰ ষ্টকাৰক সাক্ষাৎ কৰিব।

4. ভাৰত আৰু অষ্ট্ৰিয়াই উমৈহতীয়া গণতান্ত্ৰিক মূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত এক উষ্ম, বন্ধুত্বপূৰ্ণ আৰু বহুমুখী সম্পৰ্ক ভাগ-বতৰা কৰে। 2024 চনৰ জুলাই মাহত প্ৰধানমন্ত্ৰীৰ অষ্ট্ৰিয়া ভ্ৰমণ অত্যন্ত সফল হৈছিল আৰু ই দুই দেশৰ মাজৰ সাম্প্ৰতিক সম্পৰ্কক এক বিশেষ মাত্ৰা প্ৰদান কৰিছিল। চেঞ্চেলৰ ষ্টকাৰৰ এই ভ্ৰমণে পাৰস্পৰিক স্বাৰ্থজড়িত নতুন ক্ষেত্ৰসমূহত অংশীদাৰিত্ব অধিক গভীৰ আৰু সম্প্ৰসাৰিত কৰাৰ বাবে দুয়োখন দেশৰ উমৈহতীয়া দায়বদ্ধতাকে প্ৰতিফলিত কৰে।

নতুন দিল্লী

এপ্ৰিল 09, 2026